بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ৫ জুন মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্রদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজি মই আকৌ বদৰি চাহাবাৰ জীৱনী সম্পৰ্কে চমু আলোচনা আগবঢ়াম। বদৰি চাহাবা সকলৰ মাজত যিজন চাহাবীৰ জীৱন বৃত্তান্ত তুলি ধৰিম তেখেতৰ নাম হ'ল হজৰত ছুহিব বিন ছুনান (ৰাঃ)। হজৰত ছুহেব (ৰাঃ)ৰ দেউতাকৰ নাম আছিল ছালমা বিনতে কাইদ। হজৰত ছুহেব (ৰাঃ)ৰ জন্মস্থান আছিল মুচুল (ৰোম)

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে হজৰত ছুহেব (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰোঁতে উল্লেখ কৰিছে যে এখেত (ৰাঃ) এজন দাস(গোলাম) আছিল যাক ৰোমৰ পৰা ধৰি লৈ অনা হৈছিল। এখেত আব্দুল্লাহ বিন জুদানৰ গোলাম আছিল, যিজনে এখেত (ৰাঃ)ক মুক্ত কৰি দিছিল। এখেতও ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত ঈমান আনিছিল আৰু তেখেত (ছাঃ)ৰ বাবে বিভিন্ন ধৰণৰ দুখ:কষ্ট ভোগ কৰিছিল।

হজৰত আম্মাৰ (ৰাঃ) আৰু হজৰত ছুহেব (ৰাঃ) প্রায় ত্রিছজন ব্যক্তিৰ পিছত ইছলাম গ্রহন কৰিছিল। হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে - ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে সৰ্বপ্রথম ইছলাম গ্রহন কৰোঁতা হ'ল চাৰিজন। তেখেত (ছাঃ)য়ে কৈছে যে আৰবত মই সৰ্বপ্রথম, আৰু বিলাল হাবশাত সৰ্বপ্রথম ইছলাম গ্রহন কৰোঁতা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত ছুহেব (ৰাঃ)ৰ হিজৰতে মদিনাৰ ঘটনা এনেদৰে বৰ্ণনা কৰিছে যে -যেতিয়া ছুহেব (ৰাঃ)য়ে মদিনালৈ হিজৰতৰ বাবে যাত্রা কৰিছিল মক্কাৰ লোক সকলে আহি তেখেতক বাধা প্রদান কৰিছিল, যাৰ ফলত হজৰত ছুহেব (ৰাঃ)য়ে নিজৰ সকলো ধন-মাল মক্কা বাসীক দি দিছিল আৰু খালী হাতে গৈ ৰছুলুল্লাহ (ছাঃ)ৰ কাষত উপস্থিত হৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল - হে ছুহেব তোমাৰ এই ক্রয়-বিক্রয় আগৰ সকলো ক্রয়-বিক্রয়তকৈ লাভ দায়ক হৈছে। অৰ্থ্যাৎ আগৰ ক্রয়-বিক্রয়ত ধন-মালৰ বিপৰীতে তুমি টকা পইচা লাভ কৰিছিলা কিন্তু এইবাৰ টকা পইচাৰ বিপৰীতে তুমি ঈমান অৰ্জন কৰিছা।

হজৰত ছুহেব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যি কেইখন যুদ্ধ ক্ষেত্রত ৰছুলে কৰিম (ছাঃ)য়ে অংশ গ্রহন কৰিছিল মইও সেই যুদ্ধবোতৰ উপস্থিত আছিলো। তেখেত (ছাঃ) য'তেই বয়াত লৈছিল মই তাতেই উপস্থিত থাকিছিলো। তেখেত (ছাঃ)য়ে যেতিয়াই কোনো দল প্রেৰণ কৰিছিল মইও তাত অংশ গ্রহন কৰিছিলো আৰু তেখেত (ছাঃ)য়ে যিবোৰ যুদ্ধৰ বাবে যাত্রা কৰিছিল মই তেখেত (ছাঃ)ৰ লগত থাকিছিলো। মই কেতিয়াও ৰছুলুল্লাহ (ছাঃ) আৰু মাজ খিনিত শত্রুক প্রৱেশ কৰিবলৈ দিয়া নাছিলো। এনেদৰেই আঁহজৰত (ছাঃ)য়ে ইহ-সংসাৰৰ পৰা চিৰ বিদায় লৈছিল। হজৰত ছুহেব (ৰাঃ)য়ে বুঢ়া বয়সত মানুহক মাতি একগোট কৰি বৰ আগ্রহেৰে নিজৰ যুদ্ধ কাৰ্য্য ক্রমনিকাৰ চিত্তাকৰ্ষক ঘটনাবোৰ শুনাইছিল।

হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছুহেব (ৰাঃ)ক বৰ ভাল পাইছিল আৰু এখেতৰ বিষয়ে ভাল ধাৰণাও পোষন কৰিছিল। সেয়ে যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে আহত হৈ পৰিছিল তেতিয়া তেখেতে এয়া অচিয়ত কৰিছিল যে মোৰ নমাজে জানাজা হজৰত হজৰত ছুহেবে পঢ়াব আৰু তিনিদিনলৈ মুছলমান সকলৰ ইমামতি কৰিব অৰ্থ্যাৎ যিমান সময়লৈকে আহলে শ্বোৰাৰ ৰায় অনুসৰি কোনোবাই খলিফা নিৰ্বাচিত নহয়।

৩৮ হিজৰিৰ শ্বোৱাল মাহত হজৰত ছুহেব (ৰাঃ)ৰ মৃত্যু হৈছিল। আকৌ কিছুমানৰ মতে ৪৮ হিজৰিত মৃত্যু হৈছিল। মৃত্যুৰ সময়ত হজৰত ছুহেব (ৰাঃ)ৰ বয়স হৈছিল ৭৩ বছৰ আকৌ কিছুমানৰ মতে ৭০ বছৰ বয়স হৈছিল। হজৰত ছুহেব (ৰাঃ)ক মদিনাত দফন কৰা হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া হজৰত ছাআদ বিন ৰবিয়া (ৰাঃ)ৰ বিষয়ে চমু বৰ্ণনা কৰিম। এখেতৰ দেউতাকৰ নাম ৰবিয়া বিন উমৰ আৰু মাকৰ নাম হজিলা বিনতে আনবাহ আছিল। হজৰত ছাআদ মূৰ্খতাৰ যুগতেও লিখা

-পঢ়া জানিছিল। এখেতে কবিলা বণু হাৰিছৰ এজন নেতা এজন নেতা আছিল আৰু এখেতে বয়াতে উকবা প্ৰথম আৰু দ্বিতীয়তে অংশ গ্ৰহন কৰিছিল।

হজৰত মুছলেহ মাওউদ বৰ্ণনা কৰিছে যে অহুদৰ যুদ্ধৰ এটা ঘটনা এনেকুৱা আছে যে যুদ্ধৰ পিছত আঁহজৰত (ছাঃ)য়ে হজৰত আবি বিন কাআবক কৈছিল - যোৱা আহত সকলৰ খৱৰ লোৱা। এখেতে আহত চাওঁতে চাওঁতে গৈ হজৰত ছাআদ বিন ৰবিয়া (ৰাঃ)ৰ ওচৰ পাইছিল আৰু দেখিছিল যে তেখেতে বৰ বেয়াকৈ ঘাইল হৈছে আৰু শেষ নিশ্বাস ত্যাগ কৰাৰ উপক্ৰম হৈছে। তেতিয়া হজৰত কাআব (ৰাঃ)য়ে ছাআদ (ৰাঃ)ক সুধিছিল যে আপোনাৰ পৰিয়াল পৰিজনলৈ কিবা কবলৈ আছে যদি মোক সেয়া কৈ দিব পাৰে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনা বৰ্ণাওঁতে লিখিছে যে চোৱা এনেকুৱা মুমুৰ্ষ অৱস্থাত অৱস্থাত যেতিয়া মানুহে ভাৱে যে মোৰ মৃত্যুৰ সময় উপস্থিত হৈ গৈছে তেতিয়া তাৰ মনত বিভিন্ন ধৰণৰ কল্পনা জাগি উঠে। সি নিশ্চয় ভাৱে যে পত্নীৰ কি অৱস্থা হব, মোৰ লৰা-ছোৱালীক কোনে চোৱা চিতা কৰিব, ইত্যাদি। কিন্তু এই চাহাবীজনে এইবোৰৰ একো কোৱা নাছিল, কেৱল মাত্ৰ কৈছিল যে - মই আঁহজৰত (ছাঃ)ৰ ৰক্ষণা-বেক্ষণ কৰোঁতে ইহ সংসাৰৰ পৰা গৈ আছো, তোমালোকেও এই বাটেৰেই আমাৰ পিছে পিছে আহি যোৱা। আঁহজৰত (ছাঃ)ক নিৰাপদ ৰখাই আটাইতকৈ ডাঙৰ কাম। লিখিছে যে সেই লোক সকলৰ হৃদয়ত এনেকুৱাই আছিল ঈমানৰ শক্তি,যাৰ দ্বাৰা তেওঁলোকে বিশ্ব বিজয় সাব্যস্ত কৰি থৈ গৈছে আৰু ক্যায়ছৰ আৰু কিছৰাৰ সাম্ৰাজ্য ওলট-পালট কৰি দিছে।

হজৰত ছাআদ বিন ৰবিয়া বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধত আহি শ্বাহাদত বৰণ কৰিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত ছাআদক উদ্দেশ্য কৈছিল - আল্লাহ তায়ালা তাৰ ওপৰত দয়া বৰ্ষণ কৰক। তেওঁ জীৱন কালতও আৰু মৃত্যুৰ পিছতও আল্লাহ আৰু তাৰ ৰছুলৰ কল্যাণ বিচাৰোতা আছিল। হজৰত ছাআদ বিন ৰবিয়া আৰু হজৰত খাৰজা বিন জায়েদ (ৰাঃ)ক এখন কবৰতে দফন কৰা হৈছিল।

হজৰত জাবেৰ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে হজৰত ছাআদ বিন ৰবিয়াৰ শ্বাহাদতৰ পিছত তেওঁৰ পত্নী তাৰ দুজনী জীয়েকেৰ সৈতে আঁহজৰত (ছাঃ)ৰ ওচৰত আহিছিল আৰু অভিযোগ কৰিছিল যে এওঁলোকৰ খুৰাকে এওঁলোক দুজনৰ সম্পদ হস্তগত কৰিছে, এওঁলোকে একো পোৱা নাই। আঁহজৰত (ছাঃ)য়ে এয়া কৈছিল - আল্লাহ তায়ালা এই বিষয়ে ৰায় দান কৰিব। ইয়াৰ পিছতেই সম্পত্তিৰ ওপৰত নিৰ্দেশিত আয়াত নাযিল হৈছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে ছোৱালী দুজনীৰ খুৰাকক মতাই আনি কৈছিল যে - ছাআদৰ জীয়েক দুজনীক ছাআদৰ সম্পদৰ তিনি ভাগৰ এক ভাগ দি দিয়া আৰু তাৰ পত্নীক আঠ ভাগৰ এভাগ দি পেলাই বাকীখিনি তুমি লৈ লোৱা।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে এই ঘটনা সম্পৰ্কে লিখিছে যে বিশ্বৰ ইতিহাসত উল্লেখ নাই যে আঁহজৰত (ছাঃ)ৰ আগত বা পিছত এনেকুৱা কোনো ব্যক্তি পাৰ হৈছে যে যিয়ে নাৰীৰ অধিকাৰক এনেকৈ হিফাজত কৰিছে, যেনেকৈ আঁহজৰত (ছাঃ)য়ে কৰি থৈ গৈছে। গতিকে মৃতকৰ সম্পত্তিৰ অধিকাৰ, বিবাহৰ ক্ষেত্ৰত, পতি-পত্নীৰ সম্পৰ্কত, তালাক বা খোলা সম্পৰ্কে, নিজাববীয়া সম্পত্তি বনোৱাৰ ক্ষেত্ৰত, নিজা সম্পদ নিজে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত, শিকাৰ অধিকাৰ, সম্পৰ্কে, সন্তান জন্ম আৰু তৰবিয়তৰ অধিকাৰ সম্পৰ্কে, সাম্প্ৰদায়িক আৰু দেশীয় বিষয় সংক্ৰান্ত অংশ লোৱাৰ অধিকাৰ সম্পৰ্কে, ব্যক্তি স্বাধীনতাৰ ক্ষেত্ৰত, ধৰ্মীয় অধিকাৰ আৰু দায়িত্বৰ ক্ষেত্ৰত, মুঠতে জাগতিক আৰু ধৰ্মীয় আদি সকলো ক্ষেত্ৰতেই, য'তেই যাবলৈ নাৰী সক্ষম, সেই সকলো বোৰতেই আঁহজৰত (ছাঃ)য়ে নাৰীৰ অধিকাৰ সাব্যস্ত কৰি গৈছে। নাৰীৰ অধিকাৰ ৰক্ষা কৰাটো নিজৰ উম্মতৰ বাবে এটা পবিত্ৰ আমানত আৰু ফৰজ হিচাপে নিৰ্ধাৰণ কৰি গৈছে। এই কাৰণেই আৰবৰ নাৰীয়ে তেখেত (ছাঃ)ৰ আবিৰ্ভাৱ নিজৰ বাবে মুক্তিৰ বাট কটীয়া বুলি ধৰি লয়। তেখেতে (ছাঃ)ৰ এই বাক্য এটা গভীৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত যে “জাগতিক বস্তুৰ ভিতৰত মোৰ প্ৰবৃত্তিত যি বস্তুৱে প্ৰেমস্পন্দন জনাই দিছে সেয়া হ'ল নাৰী আৰু সুগন্ধি কিন্তু মোৰ চকুৰ প্ৰশান্তি নমাজ অৰ্থ্যাৎ ইবাদতে ইলাহিত নিহিত কৰা হৈছে। আল্লাহ কৰক! যাতে জগতখনে ইয়াৰ গুঢ়াৰ্থ বুজি পায়। ইছলামে নাৰী সমাজক যি মৰ্যাদা দিছে সেয়া অইন কোনো ধৰ্মই দিয়া নাই নাইবা নাৰীৰ অধিকাৰ ৰক্ষক নামধাৰী সংগঠন বোৰেও দিব পৰা নাই। আল্লাহ তায়ালা পুৰুষ সকলক নাৰীৰ অধিকাৰ ইছলামী শিক্ষা অনুযায়ী প্ৰদান কৰাৰ তৌফিক দান কৰক। যাতে এই সমাজ শান্তি সমৃদ্ধিৰ সমাজ হিচাপে পৰিগণিত হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই বৰ্তমান পৰিস্থিতি সম্পৰ্কে ক'ব বিচাৰো যে দোৱা কৰক যাতে আল্লাহ তায়ালা এই ক'ৰুণা মহামাৰীৰ কবলৰ পৰা জগতখনক ৰক্ষা কৰে, লগতে মানৱ জাতিক প্ৰজ্ঞা দান কৰক যে মানৱ কল্যাণ একমাত্ৰ খোদা তায়ালাৰ শীৰণত কৰা আৰু পাৰস্পৰিক অধিকাৰ ৰক্ষাত নিহিত হৈ আছে।

শাসনৰ গাদীত থকা সকলক আল্লাহ তায়ালা বিবেক দান কৰক যাতে সিহঁতে নিজৰ ন্যায়ৰ ওপৰত শাসন কাৰ্য্য পৰিচালনা কৰে। আমেৰিকাত বৰ্তমানে যি অনিশ্চয়তা, অশান্তি বিৰাজ কৰিছে, তাৰ পৰা সকলো আহমদীক নিৰাপদ ৰাখক। যিমানেই শক্তিশালী চৰকাৰ বা শাসক নহওঁক কিয় যদি জনগণৰ মাজত অশান্তি বিৰাজ কৰে তেন্তে কোনো

শাসনেই বৰ্তি থাকিব নোৱাৰে। পৃথিৱীৰ য'তেই কাজিয়া বিবাদ চলি আছে আল্লাহ তায়ালা সেয়া দূৰীভূত কৰক, চৰকাৰ সমুহে জনগণৰ সকলো অধিকাৰ ন্যায় সঙ্গত দাবী উত্থাপন কৰক।

এনদৰে পাকিস্থান চৰকাৰেও চিন্তা কৰা উচিত যে বৰ্তমানে কেৱল মোল্লা সকলৰ ভয়ত আহমদী সকলৰ ওপৰত যি জুলুম অত্যাচাৰ বাঢ়ি গৈছে, সেয়া আৰু নহয় বৰং ন্যায়ৰ ওপৰত শাসন চলাওঁক। নিজৰ দেশৰ ইতিহাসৰ পৰা শিক্ষা লওঁক। এই ধাৰণা এৰি দিয়ক যে এনেবোৰ ইচ্ছু টানি চৰকাৰী ম্যাদ দীঘলীয়া কৰে। এয়া নিশ্চত যে এইবোৰ জুলুম অত্যাচাৰৰ ফলত বিশ্বত আহমদীয়তৰ উন্নতি আগতকৈ আৰু বেছি বাঢ়ি গৈ আছে আৰু ইনশাআল্লাহ ভৱিষ্যতেও বাঢ়িয়ে যাব। এয়া হ'ল খোদা তায়ালাৰ কাম, এই কামক কোনেও ৰোধ কৰিব নোৱাৰে। যিয়েই নহওঁক আমাৰ দোৱা হ'ল যে আল্লাহ তায়ালা প্ৰত্যেক ঠাইতে জুলুম অত্যাচাৰ, বিবাদ, অশান্তি দূৰীভূত কৰক। আনহাতে বৰ্তমানে যি মহামাৰী বিয়পিছে ইয়াৰ পৰা মানুহে শিক্ষালৈ নিজৰ মাজত এটা পৰিবৰ্তন সাধন কৰক আৰু আমি আহমদী সকলে যেন আগতকৈ বেছি খোদা তায়ালাৰ ইবাদতৰ হ'ক আৰু তাৰ বান্দাৰ হ'ক আদায় কৰাৰ তৌফিক লাভ কৰিব পাৰো আৰু আমি যেন বেছি বেছি আল্লাহ তায়ালাৰ সন্তুষ্টি অৰ্জন কৰিব পাৰো আৰু অতি সোনকালে আমি যেন আমাৰ উন্নতি নিজৰ চকুৰ আগত দেখিবলৈ পাওঁ । (আমিন)

“আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ”।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 5 JUNE . 2020**
**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844